অসমীয়া খবৰ

30.08.2025 Friday

# দিছপুৰ মহাবিদ্যালয়ত ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন



গুৱাহাটী, ২৯ আগষ্ট ঃ অসমৰ উচ্চ শিক্ষাৰ আগশাৰীৰ অন্যতম প্ৰতিষ্ঠান দিশপুৰ মহাবিদ্যালয়ৰ প্ৰাংগণত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়। পুৱা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষা ইন্দ্ৰানী চৌধুৰী মহন্তই শ্বহীদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে মানুহৰ জীৱনৰ প্ৰতিটো ক্ষণ বহুমূলীয়া বুলি মতপোষণ কৰি সাধনাক জীৱনৰ ব্ৰত হিচাপে লৈ আগবাঢ়ি বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে কয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক তথা বুৰঞ্জী বিভাগৰ প্ৰাক্তন অধ্যাপক ৰাজীৱ সন্দিকৈ। উক্ত সভাতেই নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা অধ্যাপিকা চন্দনা শৰ্মা আৰু দিশপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অমৰ শইকীয়া। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা'ৰ লগতে দিশপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'দিশপুৰীয়ান', অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'প্ৰবাহ' আৰু দিশপুৰ মহাবিদ্যালয় প্ৰকাশন পৰিষদৰ উদ্যোগত আই কে এছ কেন্দ্ৰৰ পৰা দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা ড° মামনি কলিতাৰ সম্পাদনাত 'Indian Knowledge System. Philosophy, science & culture', মহিলা কোষৰ পৰা অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড° মনালিছা ভট্টাচাৰ্যৰ সম্পাদনাত 'Women and Assam', বুৰঞ্জী বিভাগৰ পৰা চেৰলিন ইংযাইপিৰ সম্পাদনাত 'Memory, Identity and history', ইংৰাজী বিভাগৰ পৰা ড° বিনয় চেতিয়াৰ সম্পাদনাত 'Memory. Uncharted Territories' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত সভাতেই ২০২৪-২৫ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শ্ৰেষ্ঠ পুথিভঁৰাল পঢ়ুৱৈ, শ্ৰেষ্ঠ বিভাগ, শ্ৰেষ্ঠ এন এছ এছ ভলেন্টিয়াৰ বঁটা আদিও প্ৰদান কৰা হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশন কৰি দিনজোৰা কাৰ্যসূচীৰ সামৰণি পেলায়।